RNI REGN. N
epape
Portal :
e-mail :

# অসম আদিত্য

২৩ ভাদ, ১৯৪৭ শক ■ মঙলবাৰ, ৯ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, September 9, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ

## সাহিত্য সভা, তিনি মহাবিদ্যালয়ৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, ৮ ছেপ্টেম্বৰ ঃ** 'নিয়মানুৱৰ্তীতা, শৃংখলা আৰু সততা ছিংগাপুৰ প্ৰতিষ্ঠাৰ মূল আধাৰ'।— স্নেহবন্ধন, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি, ডিব্ৰুগড় সাহিত্য সভা, ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), বৰপেটা মহাবিদ্যালয় আৰু শদিয়া মহাবিদ্যালয়ৰ উদ্যোগত অনলাইন মাধ্যমত অনুষ্ঠিত এক বক্তৃতানুষ্ঠানত ছিংগাপুৰৰ বাসিন্দা, প্ৰৱাসী অসমীয়া ৰূপশিখা শৰ্মাই আজি এইদৰে কয়। 'ছিংগাপুৰ ঃ শৃংখলা, শিক্ষা, সততা, উদ্ভাৱন, একতা আৰু নেতৃত্বৰ কিছু কথা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি তেওঁ কয়— ছিংগাপুৰৰ জনসাধাৰণে নিয়মানুৱৰ্তীতা, শৃংখলা আৰু সততা খুব মানি চলে। তেওঁ ছিংগাপুৰৰ বিষয়ে উল্লেখ কৰি কয়— বৰ্তমানৰ ছিংগাপুৰক গ্ল'বেল হাব বুলি জনা যায়। মাত্ৰ ৭৩৬.৩ কিল'মিটাৰ ব্যাসাৰ্ধৰ মাটিকালিৰে অৱস্থিত ছিংগাপুৰৰ পূবৰ পৰা পশ্চিমলৈ যাবলৈ মাত্ৰ দুঘণ্টা সময়ৰ প্ৰয়োজন হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা বক্তৃতানুষ্ঠানটিত তেওঁ কয়— ছিংগাপুৰৰ জনসাধাৰণে সময়ক সঠিক ব্যৱহাৰ কৰি আগুৱাই যায়। ছিংগাপুৰৰ জনসাধাৰণে পাব্লিক বাছত উঠোতে খুব নিয়মানুৱৰ্তীতা মানি চলে। তেওঁ কয়— ছিংগাপুৰৰ ব্যৱসায়ত কৰৰ পৰিমাণ অতি কম। কৰৰ পৰিমাণ কম হোৱাৰ কাৰণেই বিভিন্ন ৰাষ্ট্ৰই অধিক পৰিমাণে সামগ্ৰী ক্ৰয় কৰে। শৰ্মাই কয়— মহামাৰীৰ সময়তো ছিংগাপুৰৰ জনজীৱন স্তব্ধ হৈ যোৱা নাছিল। 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত ছিংগাপুৰৰ শিক্ষা ব্যৱস্থাৰ কথা উল্লেখ কৰি তেওঁ কয়— ছিংগাপুৰৰ শিক্ষাব্যৱস্থাত 'ছুইমিং' বাধ্যতামূলক। ইন্টাৰ্নশ্বীপ পাঠ্যক্ৰমো ছিংগাপুৰৰ শিক্ষা ব্যৱস্থাত বাধ্যতামূলক। বিভিন্নধৰণৰ খাদ্য সামগ্ৰী অনা প্লাষ্টিক ছিংগাপুৰৰ ছাত্ৰ-ছাত্ৰীসকলে পুনৰ ব্যৱসায়িক প্ৰতিষ্ঠানত ঘূৰাই দিয়ে। ছিংগাপুৰৰ যুৱ-প্ৰজন্মৰ সকলোৱে খেলৰ প্ৰতি আকৰ্ষিত। বয়োজ্যেষ্ঠ ব্যক্তিসকলক যুৱক-যুৱতীসকলে প্ৰযুক্তিৰ বিভিন্ন নতুন বিষয়, নতুন এপ সময় পালে শিকাই দিয়ে। ছিংগাপুৰৰ যুৱ-প্ৰজন্মই ১৮ বছৰ হোৱাৰ পিছত দুই বছৰৰ কাৰণে ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়োৱাতো বাধ্যমূলক। স্নেহবন্ধনৰ সাধাৰণ সম্পাদক, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক তথা ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটি উদ্বোধন কৰে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে। উদ্বোধনী ভাষণ প্ৰসংগত ড০ গোস্বামীয়ে বহু দূৰৰ দেশত থকা প্ৰৱাসী অসমীয়াসকলে নিজৰ ভাষা-সাহিত্যক পাহৰি নগৈ নিজৰ ভাষা-সাহিত্যক লৈ চিন্তা-চৰ্চা কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত স্নেহবন্ধনৰ সভানেত্ৰী মঞ্জিৰা চৌধুৰী (গ্ৰেট বৃটেইন), উপ-সভানেত্ৰী নিৰলা বৰুৱা (স্কটলেণ্ড), কাৰ্যকৰী সভাপতি ড০ যোগেন চন্দ্ৰ কলিতা, সহকাৰী সম্পাদক ড০ মুকুট গোহাঁই (দক্ষিণ আফ্ৰিকা), ডাঃ ডেইজী লেখাৰু (ছুইজাৰলেণ্ড), শ্ৰীমন্ত ভূঞা (জাৰ্মানী), ভৰত বৰুৱা (আমেৰিকা যুক্তৰাষ্ট্ৰ), ৰুমা হাজৰিকা (মুম্বাই), ইউ এছ টি এমৰ প্ৰাক্তন সম-উপাচাৰ্য ড০ বলেন্দ্ৰ কুমাৰ দাস, বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বিৰিঞ্চি কুমাৰ দাস, শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ভূপেন চুতীয়া, ড০ বুলজিৎ বুঢ়াগোহাঁই উপস্থিত থাকি সাৱলীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়, বৰপেটা মহাবিদ্যালয়, শদিয়া মহাবিদ্যালয়কে ধৰি ভালেকেইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি মুখ্য বক্তাৰ লগত মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে বিশিষ্ট বিজ্ঞানী, দক্ষিণ আফ্ৰিকাৰ বাসিন্দা, প্ৰৱাসী অসমীয়া ড০ মুকুট গোহাঁয়ে।